# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 29-03-2025
**Time :** 0900 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

১। ম্যানমাৰত কালিৰ প্ৰলয়ংকাৰী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ১৪৪ লৈ বৃদ্ধি। দেশখনলৈ ভাৰতৰ ১৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ।

২। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদ পুৰণৰ ক্ষেত্ৰত চাহ জনগোষ্ঠী আৰু আদিবাসী প্ৰাৰ্থীৰ বাবে ৩ শতাংশ পদ সংৰক্ষণ কৰাৰ ৰাজ্য চৰকাৰৰ সিদ্ধান্ত।

৩। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনভোগীৰ মৰগীয়া বানচ ২ শতাংশ বৃদ্ধি।

৪। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত প্ৰচাৰ অভিযান তুংগত।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হাতত চেন্নাই ছুপাৰ কিংছ ৫০ ৰাণত পৰাজিত।

ooooo

ম্যানমাৰত কালিৰ প্ৰলয়ংকাৰী ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা ১৪৪ লৈ বৃদ্ধি পাইছে। ইপিনে, বেংককত এটা নিৰ্মীয়মান সুউচ্চ অট্টালিকাৰ ধ্বংসস্তুপৰ মাজৰ পৰা কমেও দহজন লোকক উদ্ধাৰ কৰা হৈছে। ভূমিকম্পত মৃত্যু হোৱা লোকৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতাত্বিক জৰীপ বিভাগে আংশকা প্ৰকাশ কৰিছে।

ভাৰতে ইতিমধ্যে ম্যানমাৰলৈ প্ৰায় ১৫ টন সাহায্য সামগ্ৰী প্ৰেৰণ কৰিছে। হিন্দন বায়ুসেনা কেন্দ্ৰৰ পৰা এই সামগ্ৰীখিনি বায়ুসেনাৰ বিমানেৰে ম্যানমাৰলৈ প্ৰেৰণ কৰা হৈছে। সাহায্য সামগ্ৰীসমূহৰ ভিতৰত শ্লিপিং বেগ, টেণ্ট, কম্বল, পেকেটৰ খাদ্য-সামগ্ৰী, জেনেৰেটৰ আদি আছে। তদুপৰি ভূমিকম্পত ক্ষতিগ্ৰস্তসকলৰ সহায়ৰ বাবে ঔষধ, হাতমোজা, বেণ্ডেজ আদিও প্ৰদান কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ম্যানমাৰ আৰু থাইলেণ্ডৰ ভূমিকম্পক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দুয়োখন দেশৰ জনসাধাৰণৰ সুস্বাস্থ্য আৰু কুশল কামনা কৰে। শ্ৰীমোদীয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ক ম্যানমাৰ আৰু থাইলেণ্ড চৰকাৰৰ সৈতে সঘন যোগাযোগ ৰাখিবলৈ নিৰ্দেশ দিয়ে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ম্যানমাৰ আৰু থাইলেণ্ডত কালি ওপৰা-ওপৰিকৈ অহা দুটা ভূমিকম্পত দেশ দুখনৰ জন-ধন আৰু আন্তঃগাঁথনিৰ বিস্তৰ ক্ষতি হয়। ৰিখটাৰ স্কেলত ৭ দশমিক ৭ আৰু ৬ দশমিক ৪ প্ৰাবল্যৰ ভূমিকম্পৰ জোকাৰণি অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্য, উত্তৰ বংগৰ উপৰি চীনৰ দক্ষিণ-পশ্চিম অংশতো অনুভূত হয়।

ম্যানমাৰৰ ৰাজধানী মহানগৰ নেইপি-টাও আৰু বাণিজ্যিক মহানগৰী মাণ্ডালেইকে ধৰি ম্যানমাৰৰ ছটা খণ্ডত জৰুৰী অৱস্থা ঘোষণা কৰা হৈছে। ম্যানমাৰৰ সামৰিক জুণ্টাই এই ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ বাবে আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ পৰা সহায়ৰ আহ্বান জনাইছে। বিশ্ব সম্প্ৰদায়ৰ পৰা নিলগে থকা শাসনাধিস্থিত দেশখনৰ সামৰিক জুণ্টাৰ এই আহ্বানে পৰিস্থিতিৰ ভয়াৱহতা সূচাইছে বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে।

ooooo

ৰাজ্য চৰকাৰৰ অধীনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদ পুৰণৰ ক্ষেত্ৰত চাহ জনগোষ্ঠী আৰু আদিবাসী প্ৰাৰ্থীৰ বাবে ৩ শতাংশ পদ সংৰক্ষিত হ'ব। কৰ্মচাৰী বিভাগে এই সম্পৰ্কত সংশোধিত জাননী জাৰি কৰিছে। এই সংৰক্ষণ অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক পিছপৰা শ্ৰেণীৰ বাবে সংৰক্ষিত ২৭ শতাংশ পদৰ ভিতৰত হ'ব। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে জাৰি কৰা নতুন জাননীখনত যোগ্য প্ৰাৰ্থীৰ অভাৱত ৩ শতাংশ পদ পুৰণ নহ'লে সংশ্লিষ্ট পদবোৰ খালী ৰাখিব লাগিব বুলি উল্লেখ কৰা হৈছে। পৰৱৰ্তী নিযুক্তিৰ সময়ত চাহ জনগোষ্ঠী আৰু আদিবাসী প্ৰাৰ্থীৰ দ্বাৰা সেই পদসমূহ পুৰণ কৰা হ'ব। তিনি শতাংশতকৈ অধিক যোগ্য প্ৰাৰ্থী থাকিলে অৱশিষ্ট অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক পিছপৰা শ্ৰেণীৰ মূল ২৭ শতাংশ সংৰক্ষণত অন্তৰ্ভুক্ত কৰা হ'ব। তিনি শতাংশকৈ কম যোগ্য প্ৰাৰ্থী থাকিলে কম নম্বৰ পোৱা প্ৰাৰ্থীৰ পৰাও বাচনি কৰিবলৈও জাননীখনত উল্লেখ কৰা হৈছে। সংৰক্ষণৰ উপৰি অধিক নম্বৰ পোৱাসকলে অসংৰক্ষিত শ্ৰেণীৰ পদতো বাচনিভুক্ত হ'ব পাৰিব বুলি জাননীত উল্লেখ আছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে ইয়াৰ কৰ্মচাৰী আৰু পেঞ্চনভোগীসকললৈ মৰগীয়া বানচৰ আৰু এটা কিস্তি মঞ্জুৰ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত এইবছৰৰ পহিলা জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ চাৰ্কৰিয়ালসকলৰ বাবে অতিৰিক্ত ২ শতাংশ মৰগীয়া বানচ মোকলাই দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াকে লৈ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনভোগীসকলৰ মৰগীয়া বানচ মূল দৰমহাৰ ৫৫ শতাংশ হ'ব। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই সন্দৰ্ভত এইদৰে কয় –

-বাইট-

চৰকাৰৰ এই সিদ্ধান্তৰ ফলত ৰাজকোষৰ পৰা বছৰি অতিৰিক্ত ছহেজাৰ ৬১৪ কোটি ৪০ হাজাৰ টকা ব্যয় হ'ব। ইয়াৰ দ্বাৰা প্ৰায় ৪৮ লাখ ৬৬ হাজাৰ কৰ্মচাৰী আৰু ৬৬ লাখ ৫৫ হাজাৰ পেঞ্চনভোগী উপকৃত হ'ব বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

ooooo

গুৱাহাটীৰ এটা পোৰ্টেল চেনেলৰ সাংবাদিক তথা গুৱাহাটী প্ৰেছ ক্লাবৰ সহকাৰী সাধাৰণ সম্পাদক দিলোৱাৰ হুছেইন মজুমদাৰক দুয়োটা গোচৰতে কালি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে জামিন মঞ্জুৰ কৰে। পাণবজাৰ থানাত ৰুজু হোৱা গোচৰৰ শুনানি লৈ সাংবাদিকজনক ২০ হাজাৰ টকাৰ **বণ্ডত** আদালতে জামিন মঞ্জুৰ কৰে। অৱশ্যে শুনানি প্ৰক্ৰিয়া পলম হোৱাৰ বাবে কালি নিশা সাংবাদিকগৰাকী ন্যায়িক জিম্মাতে থাকিবলগীয়া হয়। আজি সাংবাদিকজন মুকলি হোৱাৰ সম্ভাৱনা আছে।

চৰকাৰী বিষয়াৰ বিৰুদ্ধে আপত্তিজনক শব্দ ব্যৱহাৰৰ অভিযোগত এপেক্স বেংকৰ কাৰ্যালয়ৰ পৰা যোৱা ২৫ মাৰ্চত গ্ৰেপ্তাৰ কৰা সাংবাদিকগৰাকীক ২৭ মাৰ্চত পুনৰ আৰক্ষীয়ে আন এটা গোচৰত গ্ৰেপ্তাৰ কৰিছিল। আদালতত অভিযুক্ত সাংবাদিকজনৰ হৈ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰ আৰু ৰাহুল শেনচোৱাই যুক্তি প্ৰদৰ্শন কৰে। সাংবাদিকজনক গ্ৰেপ্তাৰৰ পাছতে গুৱাহাটী প্ৰেছ ক্লাব, প্ৰেছ কাউন্সিল অব ইণ্ডিয়াই এই ঘটনাক গৰিহণা দিয়ে। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে গুৱাহাটী মহানগৰ আৰু দিল্লীত থকা অসমৰ সাংবাদিকসকলেও ক'লা বেজ পৰিধান কৰি এই ঘটনাৰ প্ৰতিবাদ কৰে।

ooooo

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে।

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ দুধনৈত এন ডি এ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ চলাব। জিলাখনত আজি হ'বলগীয়া প্ৰচাৰ অভিযান সন্দৰ্ভত সবিশেষ জনাইছে গোৱালপাৰাৰ পৰা আমাৰ সংবাদদাতা ৰছিদুল হুছেইনে।

-বাইট-

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবেও প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি বকোৰ গান্ধী মৈদামত প্ৰচাৰ অভিযানত ভাগ ল'ব। জ্যেষ্ঠ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা আৰু মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি ৩০ নম্বৰ বামুণীগাঁও পৰিষদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী অজিত ৰাভাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়।

অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooooo

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ পৌৰোহিত্যত বজালী জিলাৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ত আজি দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছে। প্ৰথমবাৰৰ বাবে আয়োজন কৰা এই দীক্ষান্ত সমাৰোহত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক ৰাজ্যপালগৰাকীয়ে আনুষ্ঠানিকভাৱে ডিগ্ৰীৰ প্ৰমাণ পত্ৰ প্ৰদান কৰিব। এই সমাৱৰ্তনত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সহ-উপাচাৰ্য অধ্যাপক অমৰজ্যোতি চৌধুৰীয়ে সমাৱৰ্তনত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সমাৱৰ্তনত অসম সৌৰভ বঁটা লাভ কৰা আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক কৃষ্ণ ৰয়ক বিশ্ববিদ্যালয়খনে সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে।

ooooo

গুৱাহাটী পৌৰ নিগমে তিনি বছৰতকৈ অধিক সময় ধৰি সম্পত্তি কৰ আদায় নিদিয়াসকলৰ বাবে দুটা কিস্তিত ধন পৰিযোধৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি তিনি বছৰতকৈ অধিক সময় ধৰি কৰ আদায়

নিদিয়াসকলে সম্পত্তি কৰৰ মুঠ পৰিমাণৰ ৫০ শতাংশ কৰ আজি আৰু কাইলৈ নিগমৰ উজান বজাৰৰ কাৰ্যালয়ত জমা দিব পাৰিব। বাকী থকা ৫০ শতাংশ কৰ এপ্ৰিল, মে আৰু জুনৰ ভিতৰত জৰিমনাসহ দিব পাৰিব বুলি গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই জানিবলৈ দিয়ে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ সকলো কাৰ্যালয়ত ড° বি আৰ আম্বেদকাৰৰ জন্মদিন উপলক্ষে ১৪ এপ্ৰিলৰ দিনটো বন্ধৰ দিন হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। কৰ্মচাৰী, ৰাজহুৱা অভিযোগ আৰু পেঞ্চন মন্ত্ৰ্যালয়ৰ কৰ্মচাৰী আৰু প্ৰশিক্ষণ বিভাগে কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যালয়সমূহৰ লগতে দেশৰ ঔদ্যোগিক প্ৰতিষ্ঠানসমূহতো এই দিনটো বন্ধ থাকিব।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ অন্যতম প্ৰধান নগৰ-ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় ৰাজধানীৰূপে গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰিছে। এই সম্পৰ্কত ডিব্ৰুগড়ৰ নাগৰিকসকলৰ অভিমতৰ ভিত্তিত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। আকাশবাণীৰ ডিব্ৰুগড়ৰ সংবাদদাতা যাদৱ গগৈৰ সহযোগত অনুষ্ঠানটো প্ৰযোজনা আৰু উপস্থাপন কৰিব ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

গোলাঘাট জিলাৰ সাংবাদিক সংস্থাৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱস কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। জিলা সাংবাদিক সংস্থাৰ সভাপতি ৰোহিত গগৈয়ে সংস্থাৰ পতাকা উত্তোলন কৰাৰ উপৰি জিলাখনৰ ৬০ গৰাকী বিশিষ্ট ব্যক্তিয়ে ৬০ খন পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ কৰে। সতী সাধনী বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাচাৰ্য তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° জ্যোতিপ্ৰসাদ শইকীয়া অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত গোলাঘাট জিলাৰ ১৫ গৰাকী জ্যেষ্ঠ সাংবাদিকক বিশেষ সম্বৰ্ধনা জনোৱাৰ লগতে সাংবাদিকতাৰ বিভিন্ন বিষয়ত কেইবাগৰাকী সাংবাদিকক বঁটা প্ৰদান কৰা হয়।

ooooo

News Paper Rev./RNU (29-03-2025) MORN 301

ম্যানমাৰত কালি হোৱা প্ৰলয়ংকাৰী ভূমিকম্পৰ বাতৰিটোক প্ৰায় কেইখন কাকতে মুখ্য বাতৰিৰ স্থান দিছে।

ম্যানমাৰত ১৪৪ আৰু থাইলেণ্ডত ৯০ গৰাকী লোকে প্ৰাণ হেৰুওৱা এই ঘটনাৰ বাতৰিক **অসমীয়া প্ৰতিদিন** কাকতে **৭ দশমিক ৭ প্ৰাবল্যৰ ভয়াৱহ ভূমিকম্পই জোকাৰিলে ম্যানমাৰ-থাইলেণ্ড ঃ ভাৰততো কঁপনি তাচপাতৰ ঘৰৰ দৰে খহিল বৃহৎ অট্টালিকা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে **আমাৰ অসম** কাকতে **৭ দশমিক ৭ ৰিখটাৰৰ বিধ্বংসী ভূমিকম্প- থানবান ম্যানমাৰ, থাইলেণ্ড ঃ তাচৰ ঘৰৰ দৰে খহিল অট্টালিকা-মছজিদ, দুই শতাধিকৰ মৃত্যুৰ আশংকা** শিৰোনামেৰে প্ৰকাশ কৰিছে।

মেঘালয়ৰ ৰি-ভই জিলাৰ উত্তৰ-পূব আৰক্ষী একাডেমীত ৭০ গৰাকী উপ আৰক্ষী অধীক্ষক প্ৰশিক্ষাৰ্থীৰ দিক্ষান্ত পেৰেডত উপস্থিত থকা অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বাতৰি অসমীয়া খবৰ কাকতে **ৰাজ্যত প্ৰতি লাখ লোকৰ বিপৰীতে ১৩৯ অপৰাধ, অভিযোগনামাৰ হাৰ ৬৬ দশমিক ৭ শতাংশলৈ বৃদ্ধি** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সাংবাদিক দিলোৱাৰ হুছেইন মজুমদাৰে পাণবজাৰ থানাত ৰুজু হোৱা ১১১/২৫ নম্বৰৰ দ্বিতীয়টো গোচৰত জামিন লাভ কৰাৰ বাতৰিক দৈনিক অসম কাকতে **দ্বিতীয়টো গোচৰতো জামিন দিলোৱাৰ হুছেইন মজুমদাৰক** শিৰোনামেৰে প্ৰকাশ কৰিছে।

অহা ৩০ মাৰ্চত গুৱাহাটীত হ'বলগীয়া আই পি এলৰ এখন খেলত মহেন্দ্ৰ সিং ধোনীয়ে অংশগ্ৰহণ কৰিবলগীয়া এটা বাতৰিক দ্যা আছাম ট্ৰিবিউন কাকতে **Guwahati's date with Dhoni, one last time on field** শিৰোনামেৰে প্ৰকাশ কৰিছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চুতীয়া জনগোষ্ঠীক জনজাতিকৰণৰ প্ৰতিবেদন ব'হাগ বিহুৰ পূৰ্বে কেন্দ্ৰলৈ প্ৰেৰণ কৰাৰ প্ৰতিশ্ৰুতিৰ এটা বাতৰি **দৈনিক জনমভূমি** কাকতে **ব'হাগ বিহুৰ পূৰ্বে কেন্দ্ৰলৈ প্ৰেৰণ কৰিব চুতীয়া জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰস্তাৱ ঃ চুতীয়া ছাত্ৰসন্থাৰে মুখ্যমন্ত্ৰীৰ বৈঠকত সিদ্ধান্ত** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অৰুণাচল প্ৰদেশ ভ্ৰমণ কৰিবলৈ উচ্চতম ন্যায়ালয়ৰ এটা দুজনীয়া ন্যায়াধীশৰ দল সাজু হোৱাৰ বাতৰিক **মণিপুৰৰ পাছত এইবাৰ অৰুণাচললৈ উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ দল ঃ দুৰ্গম অঞ্চলৰ জনজাতিৰ লোকসকলৰে মত বিনিময় কৰিব ন্যায়াধীশদ্বয় গাভাই-ভূঞাই** শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে ২ শতাংশ মৰগীয়া বানচ বৃদ্ধিত অনুমোদন জনোৱা বাতৰিটোক **নৰেন্দ্ৰ মোদী কেবিনেটৰ অনুমোদন ঃ কেন্দ্ৰীয় কৰ্মচাৰীৰ মৰগীয়া বানচ ২ শতাংশ বৃদ্ধি ঃ বলৱৎ হ'ব ২০২৫ চনৰ ১ জানুৱাৰীৰ পৰা** শিৰোনামেৰে **নিয়মীয়া বাৰ্তা** কাকতে প্ৰকাশ কৰিছে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে আজি গুৱাহাটীৰ দিছপুৰ লাষ্টগেটৰ লোকনিৰ্মাণ বিভাগৰ সন্মিলন ভৱনত 'আপুনি কেনে আছে' শীৰ্ষক এটা বিশেষ অন্তৰংগ অনুষ্ঠানৰ আয়োজন কৰিছে। দিনৰ চাৰে ১০ বজাৰ পৰা হ'বলগীয়া এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ ছটা দশকৰ নজহা-নপমা স্মৃতি ৰোমন্থনৰ লগতে কেইবাগৰাকীও প্ৰাক্তন বাতৰি পৰিৱেশক-পৰিৱেশিকা, সম্পাদক আৰু বিষয়াই বৰ্তমানৰ বাতৰি বিভাগৰ কৰ্মীসকলৰ সৈতে অন্তৰংগ আলাপত ভাগ ল'ব। এই অনুষ্ঠানৰ বছা বছা অংশ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত শুনিবলৈ পাব।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে চেন্নাই ছুপাৰ কিংছক ৫০ ৰাণত পৰাস্ত কৰে। চেন্নাইয়ে ১৯৭ ৰাণৰ বিজয়

লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৪৬ ৰাণহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দলটোৰ হৈ ৰাচিন ৰবীন্দ্ৰই সৰ্বাধিক ৪১ ৰাণ কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ জছ হেজেলউদে ৩টা উইকেট দখল কৰাৰ উপৰি য়ছ দায়াল আৰু লিয়াম লিভিংষ্টনে দুটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে বেংগালুৰুয়ে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৯৬ ৰাণ সংগ্ৰহ কৰে। দলটোৰ হৈ ৰজত পাটিদাৰে ৩২টা বলত ৫১ ৰাণ কৰে। নুৰ আহমেদে ৩টা আৰু মাতিশ্বা পাথিৰানাই দুটা উইকেট দখল কৰে। ৰজত পাটিদাৰক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশত ঠাই বিশেষ পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। অসম, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰত বতৰ শুকান হৈ থাকিব বুলি আগলি বতৰা দিছে।

ooooo

সমাপ্ত